**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-04-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি পশ্চিমবংগৰ বাঁকুৰা জিলাৰ বিষ্ণুপুৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কক ৰাষ্ট্ৰপতিক সচিবালয়ত সাক্ষাৎ কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জাৰ্মানী ভ্ৰমণ কৰিব

৪। সমগ্ৰ দেশতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে অক্ষয় তৃতীয়া আৰু ভগৱান পৰশুৰামৰ জয়ন্তী উদযাপন কৰা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰায়ডাৰ্ছৰ বিৰুদ্ধে আৰু পাঞ্জাব কিংছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে আজি পশ্চিমবংগৰ বাঁকুৰা জিলাৰ বিষ্ণুপুৰত এখন জনসভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৯ চনত মহিলাসকলক সংৰক্ষণ প্ৰদান কৰাৰ বিধেয়কখন গৃহীত হোৱাৰ ক্ষেত্ৰত তৃণমূল কংগ্ৰেছে কংগ্ৰেছ দলৰ লগ লাগি ষড়যন্ত্ৰ কৰিছে বুলি অভিযোগ উত্থাপন কৰি কয়, যে ইয়াৰ বাবে জনসাধাৰণে তেওঁলোকক শাস্তি প্ৰদান কৰিব। শ্ৰীমোডীয়ে কয়, যে দেশৰ উন্নয়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে অধিক সংখ্যক মহিলাই ৰাজনীতিত অংশগ্ৰহণ কৰা উচিত। মহিলা সবলীকৰণৰ লগতে তেওঁলোকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ লগতে উল্লেখ কৰে।

তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দুয়োটা দলে জনজাতি বিৰোধী বুলি অভিযোগ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত তেওঁলোকে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ বিৰুদ্ধে এগৰাকী প্ৰাৰ্থী থিয় কৰোৱাইছিল। তৃণমূল কংগ্ৰেছে মহিলা সবলীকৰণৰ বিৰোধিতা কৰে বুলিও তেওঁ অভিযোগ তোলে। শ্ৰীমোডীয়ে কয়, যে আজিৰ সমাবেশত অংশগ্ৰহণ কৰা লোকসকলৰ উৎসাহ উদ্দীপনাই ৰাজ্যখনৰ বৰ্তমানৰ চৰকাৰৰ প্ৰতি তেওঁলোকৰ ক্ৰোধকেই প্ৰতিফলিত কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি তামিলনাডুৰ ইৰোডত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি দলৰ প্ৰতি দেখুওৱা সমৰ্থনৰ বাবে ৰাজ্যখনৰ জনসাধাৰণৰ শলাগ লয়। শ্ৰীশ্বাহে মোডাক্কুৰিচি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কিৰুতিকাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই আৰু বিপুল ভোটত তেওঁক জয়যুক্ত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। এ আই এ ডি এম কে-ৰ মুৰববী ই কে পালানিস্বামীৰ নেতৃত্বত এন ডি এ-ই চৰকাৰ গঠন কৰিব বুলি তেওঁ দৃঢ় বিশ্বাস ব্যক্ত কৰে।

0000000

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কক ৰাষ্ট্ৰপতিৰ সচিবালয়ত সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ইতিহাস আৰু সাংস্কৃতিক মূল্যবোধত শিপাই থকা ভাৰত আৰু শ্ৰীলংকাৰ সম্পৰ্ক অধিক দৃঢ় কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীৰাধাকৃষ্ণণে চুবুৰীয়া প্ৰথম নীতিৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতা আৰু দুয়োখন ৰাষ্ট্ৰৰ স্বাৰ্থত দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়টো পুনৰ দৃঢ় কৰে। এই আলোচনাত ভাৰতীয় গৃহ নিৰ্মাণ প্ৰকল্পকে ধৰি এই ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু শ্ৰীলংকাত ঘূৰ্ণী বতাহ দিটৱাহৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বাবে ৪৫ কোটি ডলাৰ ব্যয় সাপেক্ষে ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। শ্ৰীৰাধাকৃষ্ণণে শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হাৰিনী অমৰাসূৰ্য্যা আৰু অন্যান্য নেতাসকলকো সাক্ষাৎ কৰাৰ কথা আছে। তেওঁ শ্ৰীলংকাত থকা ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও মত বিনিময় কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচী লৈ কলম্বোত উপস্থিত হয়।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেপৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জাৰ্মানী ভ্ৰমণ কৰিব। ভাৰত আৰু জাৰ্মানীৰ মাজৰ কৌশলগত প্ৰতিৰক্ষা অংশীদাৰিত্ব শক্তিশালী কৰাই এই যাত্ৰাৰ প্ৰধান উদ্দেশ্যে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি শ্ৰীসিঙৰ এই যাত্ৰাই জাৰ্মানীৰ সৈতে চলিত প্ৰতিৰক্ষা সহযোগিতা উদ্যমসমূহৰ পৰ্যালোচনা কৰাৰ লগতে দেশ দুখনৰ প্ৰতিৰক্ষা উদ্যোগত মাজত সমন্বয়ৰ ন ন দিশ অন্বেষণৰ সুযোগ প্ৰদান কৰিব। এই ভ্ৰমণৰ সময়ত শ্ৰীসিঙে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী বৰিচ পিস্তোৰিয়াছৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ কথা আছে। দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা উদ্যোগ সহযোগিতা শক্তিশালী কৰাৰ লগতে সামৰিক সহযোগিতা, চাইবাৰ সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা আৰু ড্ৰোণ আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভত আলোচনা কৰিব। এই ভ্ৰমণৰ সময়ত দুয়োখনৰ দেশৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰ হোৱাৰো সম্ভাৱনা আছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে জাৰ্মান প্ৰতিৰক্ষা উদ্যোগ খণ্ডৰ গুৰুত্বপূৰ্ণ নেতাসকলৰ সৈতেও মত বিনিময় কৰাৰ কথা আছে।

0000000

পপ্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অন্ধ্ৰপ্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণৰ সুস্বাস্থ্যৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ শ্ৰীকল্যাণৰ সৈতে কথাপাতি তেওঁৰ স্বাস্থ্যৰ বুজ লৈছে। শ্ৰীমোডীয়ে কয়, যে শ্ৰীকল্যাণ এগৰাকী অত্যন্ত সাহসী ব্যক্তি আৰু তেওঁ শীঘ্ৰেই আৰোগ্য

লাভ কৰিব। উল্লেখযোগ্য যে, বিগত কিছু মাহ ধৰি অসুস্থ হৈ থকাৰ পাছত কালি সন্ধিয়া শ্ৰীকল্যাণৰ এটা অস্ত্ৰোপ্ৰচাৰ সম্পন্ন হয়।

0000000

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগৎ প্ৰকাশ নাড্ডাই নাগৰিকসকলক নিজৰ স্বাস্থ্যৰ যত্ন ল'বলৈ আৰু সুস্থ যকৃৎ তথা সুস্থ ভৱিষ্যতৰ বাবে সু-স্বাস্থ্য বৰ্তাই ৰখাৰ বিধিসমূহ পালন কৰিবলৈ আহ্বান জনাইছে। বিশ্ব যকৃৎ দিৱস উপলক্ষে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয়, যে সুস্থ যকৃৎ, সুস্থ জীৱনৰ চাবিকাঠি। মানৱ শৰীৰত প্ৰতিদিনে সুস্থ আৰু কাৰ্যক্ষম কৰি ৰখাৰ ক্ষেত্ৰত যকৃতৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও তেওঁ নাগৰিকসকলক সোঁৱৰাই দিয়ে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয়, যে পুষ্টিকৰ খাদ্য গ্ৰহণ কৰা, সিক্ত হৈ থকা, শাৰীৰিকভাৱে সক্ৰিয় হৈ থকা আদি সাধাৰণৰ অভ্যাসে জীৱনৈল বৃহৎ পৰিৱৰ্তন আনিব পাৰে।

0000000

সমগ্ৰ দেশতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে অক্ষয় তৃতীয়া উদযাপন কৰা হৈছে। এই উৎসৱে সকলোৰে জীৱনলৈ সৌভাগ্য আৰু সাফল্য কঢ়িয়াই আনে বুলি বিশ্বাস প্ৰচলিত আছে। আজিৰ এই দিনটোত জনসাধাৰণে ভৱিষ্যত জীৱনৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনায়। ইয়াৰ লগতে আজি ভগৱান পৰশুৰামৰ জয়ন্তীও আজি সমগ্ৰ দেশতে পালন কৰা হৈছে। ভগৱান পৰশুৰাম হৈছে বিষ্ণুৰ ষষ্ঠ অৱতাৰ।

0000000

অক্ষয় তৃতীয়া উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে এই উৎসৱে কৰ্মস্পৃহা, দান আৰু সেৱাৰ মনোভাৱেৰে আগবাঢ়ি সকলোকে যাবলৈ অনুপ্ৰেৰণা যোগায়। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে লগতে পৰশুৰাম জয়ন্তী উপলক্ষেও জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোডীয়ে কয়, যে ভগৱান পৰশুৰামে অন্যায়ৰ বিৰুদ্ধে যুঁজ দি সত্যৰ পথত দৃঢ়তাৰে আগবাঢ়ি যাবলৈ সকলোকে অনুপ্ৰাণিত কৰে। বীৰত্ব আৰু প্ৰজ্ঞাৰ প্ৰতীক ভগৱান পৰশুৰামৰ আশীৰ্বাদে সকলোৰে হৃদয় নতুন শক্তি আৰু আত্মবিশ্বাসেৰে ভৰাই তুলিব তেওঁ আশা প্ৰকাশ কৰে।

0000000

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে নাচিকৰ টাটা কন্সালটেন্সি ছাৰ্ভিছেচ ইউনিটত সংঘটিত ধৰ্মান্তৰকৰণৰ অভিযোগত শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিবলৈ আৰক্ষী বিভাগক নিৰ্দেশ দিছে। তেওঁ আৰক্ষীক এই সংক্ৰান্তত পুংখানুপুংখভাৱে তদন্ত কৰি অভিযুক্তসকলক উপযুক্ত শাস্তি দিবলৈ নিৰ্দেশ দিয়ে।

আইন শৃংখলাৰ পৰিস্থিতি পুনৰীক্ষণৰ বাবে আহ্বান কৰা এখন উচ্চ স্তৰীয় বৈঠকত এই নিৰ্দেশনা জাৰি কৰা হয়। বৈঠকত গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব মনিষা মহাইছকাৰ, আৰক্ষী সঞ্চালকপ্ৰধান সদানন্দ ডেট আৰু নাচিকৰ আৰক্ষী আয়ুক্ত সন্দীপ কাৰ্নিককে ধৰি আন আন বিষয়াসকল উপস্থিত থাকে।

0000000

ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ ভি নাৰায়ণে কয়, যে জলবায়ু, বায়ু প্ৰদূষণ আৰু জলবায়ু বতৰ নিৰীক্ষণৰ বাবে ডিজাইন কৰা জি-২০ উপগ্ৰহটো ২০২৭ চনত উৎক্ষেপন কৰাৰ সম্ভাৱনা আছে। ড০ নাৰায়ণে

কালি হায়দৰাবাদৰ ইঞ্জিনিয়াৰিং ষ্টাফ কলেজ অৱ ইণ্ডিয়াত ডি আৰ ডি অ', ইছোৰ' আৰু এৰোনটিকেল চ'চাইটি অব ইণ্ডিয়াৰ বিজ্ঞানীসকলক সম্বোধন কৰে। তেওঁ কয়, যে জি-২০ দেশসমূহৰ বাবে জি-২০ উপগ্ৰহ উৎক্ষেপন কৰাৰ ক্ষেত্ৰ ভাৰতে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে। ড০ নাৰায়ণে লগতে কয়, যে ইছৰোৱে ২০৪০ চনৰ চন্দ্ৰলৈ মানুহ পঠিওৱাৰ সন্দৰ্ভতো কাম কৰি আছে।

০০০০০০০

উত্তৰাখণ্ডত আজিৰে পৰা বাৰ্ষিক চাৰধাম যাত্ৰা আৰম্ভ হৈছে। পৱিত্ৰ অক্ষয় তৃতীয়া উপলক্ষে আজি য়ুমনোত্ৰী ধাম আৰু গংগোত্ৰী ধাম প'ৰ্টেলো মুকলি কৰা হয়। এই উপলক্ষে গংগোত্ৰী মন্দিৰৰ ভিতৰত গংগা দেৱীৰ মূৰ্তি আৰু য়ুমনোত্ৰী মন্দিৰৰ ভিতৰত যমুনাৰ মূৰ্তি সম্পূৰ্ণ ৰীতি-নীতিৰে স্থাপন কৰা হয়। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে কয়, যে ৰাজ্য চৰকাৰে চাৰধাম যাত্ৰাক নিৰাপদ, সু-সংগঠিত আৰু ভক্তৰ অনুকূল কৰি তোলাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইফালে, অহা ২২ এপ্ৰিলত কেদাৰনাথ ধাম আৰু ২৩ এপ্ৰিলত বদ্ৰীনাথ ধামো মুকলি কৰা হ'ব।

উল্লেখযোগ্য যে, কালি সন্ধিয়ালৈকে ১৮ লাখ ৯ হাজাৰ তীৰ্থযাত্ৰীয়ে এই যাত্ৰাৰ বাবে নাম পঞ্জীয়ন কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথম খেলখনত ৰাজস্থান ৰয়েলছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চণ্ডিগড়ত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

কলকাতা নাইট ৰাইডাৰ্ছে এতিয়াও প্ৰথমটো বিজয়ৰ বাবে অপেক্ষা কৰি আছে আৰু মাত্ৰ ১ পইণ্টেৰে তালিকাৰ শেষৰ স্থানত আছে। আনহাতে ৰাজস্থান ৰয়েলছে ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি ৮ পইণ্ট লাভ কৰিছে। পাঞ্জাব কিংছ বৰ্তমান  ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি মুঠ ৯ পইণ্ট লাভ কৰি তালিকাৰ শীৰ্ষ স্থানত আছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৪ পইণ্টেৰে অষ্টম স্থান দখল কৰি আছে।

প্ৰতিযোগিতাত কালি ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ১০ ৰানত পৰাস্ত কৰে। আনহাতে ডেলহি কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত